www.dailyassam

প্ৰথম অধ্যায়



# সূচনা (Introduction)

ছাত্ৰ-ছাত্ৰী সকলক ইতিমধ্যে ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ মূল বিষয় সমূহৰ বিষয়ে অৱগত কৰা হৈছে। এই অধ্যায়ত ব্যষ্টিবাদী অৰ্থ বিজ্ঞান আৰু সমষ্টিবাদী অৰ্থবিজ্ঞানৰ মাজত কি ধৰণৰ প্ৰভেদ আছে সেই বিষয়ে এক সহজ ব্যাখ্যা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। যি সকল ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে অৰ্থবিজ্ঞানক বিশেষ ভাৱে অধ্যয়ন কৰিবলৈ অগ্ৰসৰ হ'ব, তেওঁলোকে আধুনিক সমষ্টিবাদী অৰ্থবিজ্ঞান অধ্যয়ন কৰাৰ বাবে অৰ্থনীতিবিদ সকলে ব্যৱহাৰ কৰা অধিক জটিল বিশ্লেষণ সমূহ যথাসময়ত জানিবলৈ সক্ষম হ'ব। কিন্তু সমষ্টিবাদী অৰ্থনীতিত সমূহীয়াভাৱে কিছুমান অৰ্থনৈতিক প্ৰশ্নৰ অৱতাৰণা কৰা হয়, যেনে সামগ্ৰিকভাৱে বস্তুৰ দাম বাঢ়িছে নে কমিছে? সমগ্ৰ দেশৰ বা অৰ্থনীতিখনৰ কিছুমান খণ্ডৰ নিয়োগৰ অৱস্থা উন্নত হৈছে নে অৱনতি হৈছে? এখন অৰ্থনীতিৰ উন্নতি অথবা অৱনতি দেখুৱাবলৈ কোনবোৰ যুক্তিপুৰ্ণ নিৰ্দ্দেশক হ'ব পাৰে? কি ধৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব পাৰে? অথবা, এখন অৰ্থনীতিৰ অৱস্থা উন্নত কৰিবলৈ চৰকাৰে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাটো জনসাধাৰণে কামনা বা ইচ্ছা কৰে? এই ধৰণৰ প্ৰশ্নবোৰে আমাক এখন দেশৰ সামূহিক অৰ্থনীতিৰ সুস্থ অৱস্থাৰ বিষয়ে ভাবিবলৈ উৎসাহ যোগায়। সমষ্টিবাদী অৰ্থনীতিত এই প্ৰশ্নবোৰৰ বিভিন্ন স্তৰত এক বিশ্লেষণাত্মক আলোচনা কৰা হয়।

সমষ্টিবাদী অৰ্থনীতি বিশ্লেষণৰ কিছুমান মৌলিক তত্ত্বৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলে জ্ঞান আহৰণ কৰাটো প্ৰয়োজনীয়। সেয়েহে এই মৌলিক তত্ত্ববোৰ যিমান সম্ভৱ সহজ ভাষাত ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে। তদুপৰি কিছুমান জটিল তত্ত্বৰ বিশ্লেষণ সহজ কৰাৰ অৰ্থে কোনো কোনো ক্ষেত্ৰত প্ৰাথমিক বীজ গণিত ব্যৱহাৰ কৰা হৈছে।

এখন দেশৰ সামূহিক অৰ্থনীতিৰ বিষয়ে নিৰীক্ষণ কৰিলে দেখা যায় যে অৰ্থনীতিখনৰ সকলো ধৰণৰ বস্তু আৰু সেৱাৰ উৎপাদনৰ স্তৰবোৰৰ প্ৰায় একেলগে পৰিবৰ্তন হোৱাৰ প্ৰৱনতা আছে। উদাহৰণ স্বৰূপে যদি খাদ্য শস্যৰ উৎপাদনৰ পৰিমান বৃদ্ধি হয়, ই স্বভাৱতে উদ্যোগজাত দ্ৰব্যৰ উৎপাদনৰ পৰিমান বৃদ্ধিত অৰিহনা যোগায়। উদ্যোগ জাত দ্ৰব্য সমূহৰ ভিতৰতো আকৌ বিভিন্ন প্ৰকাৰৰ বস্তুৰ উৎপাদনৰ পৰিমান বৃদ্ধি অথবা হ্ৰাস সমকালীনভাৱে হ'বলৈ আৰম্ভ কৰে। সেইদৰে, বিভিন্ন প্ৰকাৰৰ বস্তু আৰু সেৱা সমূহৰ মূল্য সমকালীন ভাৱে বৃদ্ধি বা হ্ৰাস হোৱাৰ প্ৰৱণতা দেখা যায়। তদুপৰি বিভিন্ন উৎপাদন খণ্ডত নিয়োগৰ পৰিমান একেলগে বৃদ্ধি অথবা হ্ৰাস হোৱা পৰিলক্ষিত হয়।

www.dailyassam

যদি এখন অৰ্থনীতিৰ বিভিন্ন উৎপাদন গোটৰ সামগ্ৰিক উৎপাদনৰ স্তৰ, মূল্যস্তৰ অথবা নিয়োগৰ স্তৰৰ মাজত ওচৰ সম্বন্ধ থাকে, তেন্তে সামগ্ৰিক অৰ্থনীতিৰ বিষয়ে বিশ্লেষণ কৰাটো তুলনামূলক ভাৱে সহজ হয়। ওপৰত উল্লেখ কৰা চলক (Variables) সমূহৰ লগত গাইগুটীয়া ভাৱে জড়িত থকাৰ পৰিবৰ্তে এখন অৰ্থনীতিত উৎপাদন হোৱা সকলোবোৰ বস্তু আৰু সেৱাৰ প্ৰতিনিধিত্বমূলক হিচাপে নিৰ্দিষ্ট এটা বস্তুক লোৱাৰ বিষয়ে চিন্তা কৰিব পাৰি। এই প্ৰতিনিধিত্ব মূলক বস্তুবিধৰ উৎপাদনৰ এটা নিজা স্তৰ (Level) থাকে আৰু এই স্তৰটোৰ আন সকলোবোৰ বস্তু আৰু সেৱা দ্ৰব্যৰ গড় উৎপাদনৰ স্তৰৰ লগত ওচৰ সম্বন্ধ থাকে। একেদৰে, এই প্ৰতিনিধিত্বমূলক বস্তু বিধৰ মূল্যস্তৰে অথবা নিয়োগৰ স্তৰে অৰ্থনীতিখনৰ সাধাৰণ মূল্য স্তৰ আৰু নিয়োগৰ স্তৰক প্ৰতিবিম্বিত কৰিব পাৰে।

সাধাৰণতে, সমষ্টিবাদী অৰ্থনীতিত এখন দেশৰ মুঠ উৎপাদন আৰু নিয়োগৰ স্তৰসমূহ কিদৰে "বিভিন্ন উপাদান বা চলক"ৰ লগত সম্পৰ্ক যুক্ত সেই বিষেয়ে সহজ বিশ্লেষণ আগবঢ়োৱা হয়, যেনে— মূল্যস্তৰ, সুদৰহাৰ, মজুৰি হাৰ, লাভ আৰু আন আন। এই বিশ্লেষণত নিৰ্দিষ্ট এটা কাল্পনিক বস্তুৰ ওপৰত আলোকপাত কৰা হয় আৰু ইয়াৰ ক্ষেত্ৰত কি সংঘটিত হয় সেইটো লক্ষ্য কৰা হয়। অৰ্থাৎ সমষ্টিবাদী অৰ্থনীতিৰ বিশ্লেষণত ওপৰত উল্লেখ কৰা ধৰণে সৰলীকৰণ ব্যৱস্থা সৃষ্টি কৰা হয় আৰু বজাৰত দৰাচলতে ক্ৰয়-বিক্ৰয় হোৱা বহুতো আচল দ্ৰব্যৰ ক্ষেত্ৰত প্ৰকৃততে কি ঘটিছে সেইটো অধ্যয়নৰ পৰা ব্যৱহাৰিকভাৱে বিৰত থকা হয়। সাধাৰণতে দাম, সুদ, মজুৰি আৰু লাভ আদিৰ ক্ষেত্ৰত কি সংঘটিত হয় সেইটোহে লক্ষ্য কৰা হয়, কাৰণ এটা চলকৰ ক্ষেত্ৰত যি ঘটে, কম/বেছি পৰিমানে আনবোৰৰ ক্ষেত্ৰটো সেইটো সংঘটিত হয়। বিশেষকৈ যেতিয়া এই চলকবোৰ উচ্চ হাৰত পৰিবৰ্তন হ'বলৈ ধৰে, যেনে; যেতিয়া মূল্যস্তৰ উৰ্দ্ধগামী হয়, (যাক মুদ্ৰাস্ফীতি বোলা হয়) অথবা নিয়োগৰ পৰিমান আৰু উৎপাদনৰ স্তৰ নিম্নগামী হয়, (মন্দা অৱস্থাৰ শিৰোনামা), তেতিয়া এই চলক বোৰৰ পৰিবৰ্তনে আন সকলো ধৰণৰ বস্তুৰ প্ৰত্যেকৰে পৰিবৰ্তন হোৱাৰ সাধাৰণ নিৰ্দেশ দিয়ে। কাৰণ সামগ্ৰিক চলকবোৰৰ পৰিবৰ্তন হ'লে গোটেই অৰ্থনীতিৰ পৰিবৰ্তন হোৱা দেখা যায়।

অৱশ্যে মাজে-সময়ে এই প্ৰয়োজনীয় সৰলীকৃত প্ৰক্ৰিয়াৰ পৰা বিৰত থাকিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। বিশেষকৈ যেতিয়া উপলব্ধি কৰা হয় যে এখন দেশৰ বিভিন্ন খণ্ডসমূহক (Distinct sectors) একেলগে লক্ষ্য কৰিলে দেশখনৰ সামগ্ৰিক অৰ্থনীতিৰ বিষয়ে (বহুত বেছি) ভালকৈ জানিব পৰা যায়। আকৌ কিছুমান বিশেষ উদ্দেশ্যৰ বাবে এখন অৰ্থনীতিৰ দুটা খণ্ড (কৃষি আৰু উদ্যোগ)ৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতা অথবা পৰস্পৰ বিৰোধিতা সমূহৰ বিষয়ে বিভিন্ন খণ্ডবোৰৰ মাজত থকা সম্পৰ্ক বোৰৰ অধ্যয়নৰ (যেনে, পৰিয়াল, ব্যৱসায়-বাণিজ্য আৰু গণতান্ত্ৰিক ব্যৱস্থাত চৰকাৰ) দ্বাৰা (অকল দেশৰ সামগ্ৰিক অৰ্থনীতিৰ প্ৰতি লক্ষ্য কৰাতকৈ) সেই অৰ্থনীতি খনত সংঘটিত হোৱা ঘটনাবোৰৰ (Things happening) বিষয়ে বেছি ভালকৈ বুজিব পাৰি।

যেতিয়া বিভিন্ন বস্তুবোৰৰ পৰা বিৰত থাকি কেৱল এটা প্ৰতিনিধিত্বমূলক বস্তুৰ ওপৰত আলোকপাত কৰাটো বেছি সুবিধাজনক বুলি বিবেচিত হয়, তেনে ব্যৱস্থাত প্ৰত্যেকটো বস্তুৰ কিছুমান গুৰুত্বপূৰ্ণ তথা স্বতন্ত্ৰ বৈশিষ্ট্যক অৱজ্ঞা কৰিব লগীয়াত পৰে। উদাহৰণ স্বৰূপে, কৃষিজাত আৰু উদ্যোগজাত দ্ৰব্যৰ উৎপাদনৰ অৱস্থাবোৰ একেধৰণৰ নহয়, ই ভিন্ন প্ৰকৃতিৰ। আকৌ, যদি নিৰ্দিষ্ট এক শ্ৰেণীৰ শ্ৰমিকক সকলো শ্ৰেণীৰ শ্ৰমিকবোৰৰ প্ৰতিনিধিত্বমূলক শ্ৰমিক হিচাপে বিবেচনা কৰা হয়, তেন্তে এটা প্ৰতিষ্ঠানৰ মেনেজাৰ জনৰ শ্ৰমৰ পৰা সেই প্ৰতিষ্ঠানৰ হিচাপ ৰক্ষক জনৰ

শ্ৰমৰ মাজত থকা পাৰ্থক্য দেখুওৱাটো অসম্ভৱ হৈ পৰে। সেয়েহে অনেক সময়ত নিৰ্দিষ্ট এবিধ বস্তুক প্ৰতিনিধিত্ব মূলক বস্তু হিচাপে লোৱাৰ পৰিবৰ্তে (শ্ৰম নাইবা উৎপাদন প্ৰযুক্তি) এমুঠি (Handful) বিভিন্ন প্ৰকাৰৰ বস্তুক লোৱা হয়। উদাহৰণ স্বৰূপে, এখন অৰ্থনীতিত উৎপাদন হোৱা বিভিন্ন ধৰণৰ বস্তুৰ ভিতৰত তিনিবিধ সাধাৰণ প্ৰকাৰৰ বস্তুক প্ৰতিনিধিত্ব মূলক হিচাপে বিবেচনা কৰিব পাৰি, যেনে, কৃষিজাত বস্তু, উদ্যোগজাত বস্তু আৰু সেৱাসমূহ। এই বস্তুবোৰৰ উৎপাদন প্ৰযুক্তি আৰু দাম বিভিন্ন ধৰণৰ হোৱা দেখা যায়। সমষ্টিবাদী অৰ্থনীতিয়ে আকৌ এই বিভিন্ন বস্তুবোৰৰ গাইগুটীয়া ভাৱে কিদৰে উৎপাদনৰ স্তৰ, মূল্যস্তৰ আৰু নিয়োগৰ পৰিমান নিৰ্দ্ধাৰণ কৰা হয়, সেই বিষয়েও বিশ্লেষণ কৰে।

ওপৰৰ আলোচনাৰ পৰা আৰু ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বতে আহৰণ কৰা ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ জ্ঞানৰ পৰা এইটো সহজে উল্লেখ কৰিব পাৰি যে সমষ্টিবাদী অৰ্থবিজ্ঞান আৰু ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ মাজত কিছু পাৰ্থক্য আছে। ব্যষ্টিবাদী অৰ্থবিজ্ঞানত ব্যক্তিগত 'অৰ্থনৈতিক প্ৰতিনিধি' সকল (বক্সত দেখুওৱা হৈছে) আৰু তেওঁলোকক পৰিচালিত কৰা প্ৰেৰণা সমূহ (Motivations) ৰ প্ৰকৃতিৰ বিষয়ে আভাষ দিয়া হয়। তেওঁলোক হ'ল 'ব্যষ্টি'গত ('সৰু' অৰ্থত) প্ৰতিনিধি, যেনে ভোক্তা সকল, যিসকলে নিজৰ পছন্দ আৰু আয় অপৰিবৰ্তিত থকা অৱস্থাত বস্তুৰ কাম্য সংযোগবোৰ ক্ৰয় কৰিবলৈ পছন্দ কৰে। সেইদৰে বিভিন্ন বস্তু উৎপাদন কৰা উৎপাদনকাৰী সকল, যি সকলে নিজে উৎপাদন কৰা বস্তুবোৰৰ উৎপাদন ব্যয় যিমান সম্ভৱ কম কৰাৰ চেষ্টা কৰে আৰু সেইবোৰ যথাসম্ভৱ বেছি দামত বজাৰত বিক্ৰী কৰি সৰ্বাধিক লাভ অৰ্জন কৰাৰ প্ৰয়াস কৰে। আন ভাষাত ব্যষ্টিবাদী অৰ্থবিজ্ঞান হ'ল চাহিদা আৰু যোগানৰ ব্যক্তিগত বজাৰ সমূহৰ অধ্যয়ন আৰু 'খেলুৱৈ' (Players) অথবা সিদ্ধান্তকাৰী সকল হ'ল ব্যক্তি (যেনে, ক্ৰেতাবোৰ, বিক্ৰেতাবোৰ কোম্পানীবোৰ), যিসকলে নিজৰ লাভ তথা ব্যক্তিগত সন্তুষ্টি বা কল্যাণ সৰ্বোচ্চ কৰিবলৈ চেষ্টা কৰে। আনকি এটা বৃহৎ কোম্পানীকো এটা অৰ্থত 'ব্যষ্টিবাদী' বুলিব পাৰি, যিহেতু ই নিজৰ অংশীদাৰ সকলৰ স্বাৰ্থৰক্ষাৰ বাবেহে কাম কৰে। এই কোম্পানীবোৰে সমগ্ৰ দেশৰ জনসাধাৰণৰ স্বাৰ্থৰ হকে কাম নকৰে। ব্যষ্টিবাদী অৰ্থনীতিৰ আলোচনাত সমষ্টিবাদী ঘটনাবোৰ (Phenomena), যিবোৰে সমগ্ৰ অৰ্থনীতিক প্ৰভাৱান্বিত কৰে, যেনে, মূল্যবৃদ্ধি, নিবনুৱা আদিৰ বিষয়ে উল্লেখ কৰা নহয়, অৰ্থাৎ এইবোৰ অপৰিবৰ্তিত অৱস্থাত আছে বুলি ধৰি লোৱা হয়। কাৰণ এই চলকবোৰ হ'ল এনেধৰণৰ যে ব্যক্তিগত কিনোতা বা বেচোঁতাই এইবোৰৰ পৰিবৰ্তন কৰিব নোৱাৰে। ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ অকল তেতিয়াহে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ লগত ওচৰ সম্বন্ধ স্থাপন হয়, যেতিয়া ই (ব্যষ্টিবাদী) সাধাৰণ ভাৰসাম্যতাৰ বিষয়ে আলোকপাত কৰে। সাধাৰণ ভাৰসাম্যতা হ'ল এনে এটা অৱস্থা য'ত এখন অৰ্থনীতিৰ প্ৰত্যেকখন বজাৰত চাহিদা আৰু যোগানৰ সমতা স্থাপন হয়।

**অৰ্থনৈতিক প্ৰতিনিধি (Economic agents) ঃ**

অৰ্থনৈতিক গোট বা প্ৰতিনিধি বুলিলে সেইবোৰ ব্যক্তি অথবা অনুষ্ঠানক বুজায় যিবোৰে অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোক ভোক্তা হ'ব পাৰে, যিয়ে কি আৰু কিমান পৰিমান ভোগ কৰিব সেই সিদ্ধান্ত লয়। তেওঁলোক বস্তু আৰু সেৱাৰ উৎপাদনকাৰী হ'ব পাৰে, যিয়ে কি আৰু কিমান পৰিমান উৎপাদন কৰিব সেই সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি এইবোৰ নিজা অস্তিত্ব থকা গোট (Entities) হ'ব পাৰে, (যেনে চৰকাৰ, কৰ্পোৰেচন, বেংক আদি) যিবোৰে বিভিন্ন অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে, যেনে, কিমান খৰছ কৰিব লাগিব, ঋণৰ ওপৰত কি সুদৰ হাৰ নিৰ্দ্ধাৰণ কৰা হ'ব, কৰ কিমান নিৰ্দ্ধাৰণ কৰা হ'ব, আদি।



www.dailyassam

সমষ্টিবাদী অৰ্থনীতিয়ে দেশ এখনৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থাৰ বিষয়ে ব্যাখ্যা কৰে। আধুনিক অৰ্থবিজ্ঞানৰ প্ৰতিষ্ঠাপক পিতৃ-স্বৰূপ আডাম স্মিথে পৰামৰ্শ দিছিল যে যদি ভোক্তা আৰু বিক্ৰেতা সকলে প্ৰত্যেক খন বজাৰত তেওঁলোকৰ নিজা স্বাৰ্থ ৰক্ষাৰ অৰ্থে সিদ্ধান্ত গ্ৰহণ কৰে, তেন্তে অৰ্থনীতিবিদ সকলে সমগ্ৰ দেশৰ সম্পদ আৰু কল্যান সম্পৰ্কে পৃথককৈ চিন্তাচৰ্চ্চা কৰাৰ প্ৰয়োজনীয়তা নাথাকে। অৱশ্যে অৰ্থনীতিবিদ সকলে লাহে লাহে উপলব্ধি কৰিছে যে তেওঁলোকে আৰু অধিক সচেতন হোৱা উচিত।

অৰ্থনীতিবিদসকলে বিগত বছৰ সমূহত সম্পন্ন কৰা বিভিন্ন অধ্যয়নৰ পৰা কিছুমান কথা দৃষ্টি গোচৰ হৈছে আৰু সেইবোৰ হ'ল ঃ- প্ৰথমতে, অৰ্থনীতিত কিছুমান এনে অৱস্থা আছে, য'ত বজাৰ নাথাকে বা থাকিব নোৱাৰে।

দ্বিতীয়তে, আন কিছুমান অৱস্থা আছে য'ত বজাৰ আছে, কিন্তু চাহিদা আৰু যোগানৰ মাজত ভাৰসাম্যতা নিৰ্দ্ধাৰণ কৰাত ব্যৰ্থ হোৱা পৰিলক্ষিত হয়।

তৃতীয়তে, আকৌ বহুত সংখ্যক এনে অৱস্থা আছে, য'ত সমাজে (বা চৰকাৰে অথবা সকলো মানুহে) কিছুমান দৰ্কাৰী সামাজিক লক্ষ্য নিঃস্বাৰ্থভাৱে অনুসৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে (যেনে, নিয়োগ, প্ৰশাসন, প্ৰতিৰক্ষা, শিক্ষা, স্বাস্থ্য আদি)। অৱশ্যে এই সিদ্ধান্ত বোৰৰ কাৰণে ব্যক্তিগত অৰ্থনৈতিক প্ৰতিনিধি সকলে গ্ৰহণ কৰা ব্যষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্তসমূহৰ কিছুমান সামগ্ৰিক প্ৰভাৱৰ পৰিবৰ্তন সাধন কৰাটো প্ৰয়োজনীয় হৈ পৰে। এই উদ্দেশ্যৰ বাবে সমষ্টিবাদী অৰ্থনীতিবিদসকলে কৰ ব্যৱস্থা আৰু বাজেট সংক্ৰান্তীয় অন্যান্য নীতিবোৰে বজাৰ ব্যৱস্থাৰ ওপৰত পেলোৱা প্ৰভাৱ সমূহ অধ্যয়ন কৰিবলগীয়াত পৰে। তদুপৰি এই অৰ্থনীতিবিদ সকলে মুদ্ৰাৰ যোগান পৰিবৰ্তন কৰা নীতি সমূহ, সুদৰ হাৰ, মুজৰি হাৰ, নিয়োগ আৰু উৎপাদনৰ লগত জড়িত নীতি সমূহো বিবেচনা কৰিবলগীয়া হয়। সেয়েহে, সমষ্টিবাদী অৰ্থবিজ্ঞান আৰু ব্যষ্টিবাদী অৰ্থবিজ্ঞান বিশেষভাৱে সম্পৰ্কযুক্ত। কাৰণ সমষ্টিবাদী অৰ্থবিজ্ঞানত চাহিদা আৰু যোগান শক্তিৰ বজাৰৰ ওপৰত থকা সামগ্ৰিক প্ৰভাৱ সমূহক বিশেষ ভাৱে অধ্যয়ন কৰা হয়। অকল সেয়াই নহয়, সমষ্টিবাদী অৰ্থবিজ্ঞানে চাহিদা আৰু যোগান শক্তিক পৰিবৰ্তন কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা নীতি সমূহো প্ৰয়োগ কৰিব লগীয়াত পৰে আৰু আৱশ্যক হ'লে বজাৰৰ বাহিৰত সমাজে ব্যক্ত কৰা পছন্দ সমূহকো বিবেচনা কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে, ভাৰতৰ দৰে উন্নয়ণশীল দেশবোৰৰ নিৰনুৱা সমস্যা দূৰ অথবা হ্ৰাস কৰিবলৈ, প্ৰত্যেকৰ বাবে শিক্ষা গ্ৰহণৰ পথ সুগম কৰিবলৈ, প্ৰাথমিক স্বাস্থ্য সেৱা সকলোকে প্ৰদান কৰা ব্যৱস্থাৰ উন্নয়ন সাধন কৰিবলৈ, ভাল প্ৰশাসন ব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ, দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ উন্নয়নৰ বাবে বৃহৎ পৰিমানৰ পুঁজি ব্যয় কৰিবলৈ আৰু এনে ধৰণৰ আন আনুসংঙ্গিক ব্যৱস্থা সমূহ গ্ৰহণ কৰিবলৈ ওপৰত উল্লেখ কৰা পছন্দ সমূহ অধ্যয়ন কৰিবলগীয়া হয়। ওপৰত উল্লেখ কৰা অৱস্থা সমূহৰ পৰা এইটো স্পষ্ট হয় যে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ দুটা মূল বৈশিষ্ট্য আছে আৰু সেই দুটা হ'ল—

প্ৰথমতে, প্ৰশ্ন উদয় হয় যে সমষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰী সকল কোন? এই বিজ্ঞানৰ লগত জড়িত নীতিবোৰ চৰকাৰে নিজে গ্ৰহণ কৰে অথবা আইন মতে গঠন হোৱা সংগঠনবোৰ, যেনে— ভাৰতৰ ৰিজাৰ্ভ বেংক (RBI), ভাৰতৰ নিৰাপত্তা আৰু বিনিময় পৰিষদ (Securities and Exchange Board of India) আৰু একে ধৰণে গঢ় লোৱা অনুষ্ঠান সমূহে পৰিচালনা কৰে। দৰাচলতে, এনেধৰণৰ প্ৰত্যেকখন পৰিষদ অথবা অনুষ্ঠান ভাৰতীয় সংবিধানে দিয়া সংজ্ঞামতে অথবা আইনমতে গঢ়ি উঠে আৰু ইহঁতৰ প্ৰত্যেকৰে এটা বা তাতোধিক সামাজিক

লক্ষ্য থাকে। এই লক্ষ্যবোৰ ব্যক্তিগত অৰ্থনৈতিক প্ৰতিনিধি সকলে নিজৰ লাভ বা কল্যাণ সৰ্বোচ্চ কৰিবলৈ ইচ্ছা কৰা বিধৰ নহয়। অৰ্থাৎ সমষ্টিবাদী অৰ্থনৈতিক প্ৰতিনিধি সকল মৌলিকভাৱে ব্যষ্টিগত অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰী সকলৰ দৰে একে নহয়।

দ্বিতীয়তে, সমষ্টিবাদী অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণকাৰীসকলে কি কৰিবলৈ চেষ্টা কৰে? দৰাচলতে, এই সিদ্ধান্ত গ্ৰহণকাৰীসকলে প্ৰায়ে অৰ্থনৈতিক লক্ষ্যবোৰৰ উৰ্দ্ধত যাবলগীয়াত পৰে আৰু বিভিন্ন ধৰণৰ বাজহুৱা অভাৱ পূৰণ কৰাৰ বাবে অৰ্থনৈতিক সম্পদবোৰ ব্যৱহাৰ কৰাৰ বাবে চেষ্টা কৰিবলগীয়া হয়। এই ধৰণৰ কাৰ্যবোৰ ব্যক্তিগত স্বাৰ্থপূৰণৰ উদ্দেশ্যে গ্ৰহণ কৰা নহয়। এই কাৰ্যবোৰ দেশৰ আৰু ইয়াৰ সকলো শ্ৰেণীৰ লোকৰ সামুহিক কল্যাণসাধনৰ বাবে সম্পন্ন কৰা হয়।

## 1.1 সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভৱন (Emergence of Macro-Economics)

ব্ৰিটিছ অৰ্থনীতিবিদ জ'ন মেইনাৰ্ড কেইন্‌ছৰ বিখ্যাত গ্ৰন্থ 'The General Theory of Employment, Interest and Money' ৰ 1936 চনত প্ৰকাশ হোৱাৰ পিছত সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন হয়। কেইন্‌ছৰ আগৰ সময় ছোৱাত অৰ্থবিজ্ঞানত এটা বিশেষ ধাৰণা অন্তৰ্ভুক্ত হৈ আছিল আৰু এই ধাৰণাটো হ'ল যে যিবোৰ শ্ৰমিকে কাম কৰিবলৈ আগ্ৰহী, তেওঁলোক সকলোৱে নিয়োগৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব আৰু সকলোবোৰ কাৰখানাই সিহঁতৰ ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰি কাৰ্য সম্পাদন কৰি থাকিব পাৰিব। এই ধৰণৰ চিন্তাৰ অৰ্থনীতিবিদ সকলক সংস্থাপিত পৰম্পৰা বুলি জনা যায়। যিয়েই নহওঁক, 1929 চনৰ 'মহামন্দা' আৰু ইয়াৰ পৰবৰ্তী বছৰ বোৰত ইউৰোপ আৰু দক্ষিণ আমেৰিকাৰ দেশ সমূহৰ উৎপাদন আৰু নিয়োগৰ পৰিমান ক্ৰমবৰ্দ্ধিত হাৰত হ্ৰাস পোৱা পৰিলক্ষিত হৈছিল। ইয়ে বিশ্বৰ আন আন দেশ সমূহকো লাহে লাহে প্ৰভাৱান্বিত কৰিছিল। বজাৰত বস্তুৰ চাহিদা নিম্নগামী হৈছিল, বহুত কাৰখানা কাম নোহোৱাকৈ এনেয়ে পৰি আছিল আৰু শ্ৰমিক সকলক কামৰ পৰা অব্যাহতি দিয়া হৈছিল। 1929 চনৰ পৰা 1933 চনলৈ এই সময়ছোৱাত আমেৰিকাত নিৰনুৱাৰ হাৰ 3 শতাংশৰ পৰা 25 শতাংশলৈ বৃদ্ধি হৈছিল (কাম কৰি থকা বা কাম কৰিবলৈ বিচাৰি থকা মুঠ জনসংখ্যাৰ দ্বাৰা কাম কৰি নথকা বা কাম কৰিবলৈ বিচাৰি থকা মুঠ জনসংখ্যাক হৰণ কৰিলে যি পোৱা যায়, সেয়াই হ'ল নিৰনুৱাৰ হাৰ)। সেই একেই সময়ছোৱাৰ ভিতৰত আমেৰিকাত সামগ্ৰিক উৎপাদন প্ৰায় 33 শতাংশ হ্ৰাস পাইছিল। এই ঘটনাবোৰে অৰ্থনীতি এখনৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে নতুন ধৰণে চিন্তা কৰিবলৈ অৰ্থনীতিবিদ সকলক উদ্‌গনি যোগাইছিল। তদুপৰি অৰ্থনীতি এখনত দীৰ্ঘস্থায়ী নিবনুৱা সমস্যা থাকে আৰু সেয়েহে ইয়াৰ বাবে তত্ত্ব নিৰ্দ্ধাৰণ কৰিবলগীয়া হয় আৰু সেই উপলক্ষে ব্যাখ্যা আগবঢ়াবলগীয়া হয়। কেইন্‌ছৰ বিখ্যাত গ্ৰন্থখন এই উদ্দেশ্যবোৰ আগত ৰাখি প্ৰস্তুত কৰা হয় আৰু এইবোৰৰ সমাধানৰ বাবে প্ৰচেষ্টা লোৱা হয়। বিখ্যাত অৰ্থনীতিবিদ গৰাকীৰ পূৰ্বপুৰুষ সকলৰদৰে তেওঁৰ প্ৰয়াস (approach)) আছিল এখন দেশৰ সামগ্ৰিক অৰ্থনৈতিক কাৰ্যক্ৰমণিকাৰ বিষয়ে পৰীক্ষা কৰা আৰু বিভিন্ন খণ্ডৰ মাজত থকা পৰস্পৰ নিৰ্ভৰশীলতাৰ বিষয়ে পৰ্যালোচনা কৰা আৰু এয়াই হ'ল সমষ্টিবাদী অৰ্থবিজ্ঞানৰ শুভাৰম্ভ বা পাতনি।

## 1.2 এই পাঠ্যপুথিত সন্নিবিষ্ট সমষ্টিবাদী অৰ্থবিজ্ঞান'ৰ বিষয়ে এক আভাষ (Context of the Present Book of Macro-Economics)

এইখিনিতে উল্লেখযোগ্য যে অধ্যয়ন কৰিবলগীয়া প্ৰত্যেকটো বিষয়ৰে এক ঐতিহাসিক প্ৰসঙ্গ বা পটভূমি আছে। এই কিতাপখনত পুঁজিবাদী অৰ্থনীতিৰ দেশ এখনৰ কাৰ্যক্ৰমণিকা সম্পৰ্কে আলোচনা কৰা হৈছে। পুঁজিবাদী দেশ এখনত উৎপাদন কাৰ্যবোৰ মূলতঃ পুঁজিবাদী ব্যৱস্থাৰ দ্বাৰা পৰিচালিত



www.dailyassam

হয়। উদাহৰণ স্বৰূপে, পুঁজিবাদী ব্যৱসায়ত এজন বা কেইবাজনো উদ্যোগী থাকে (যিসকল ব্যক্তিয়ে উদ্যোগ অথবা ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰধান সিদ্ধান্ত সমূহৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে আৰু ব্যৱসায়-প্ৰতিষ্ঠানৰ লাভ লোকচানৰ দায়িত্ব বহন কৰে, তেওঁলোকক উদ্যোগী বুলি ক'ব পাৰি)। এই উদ্যোগীসকলে উদ্যোগ চলোৱাৰ বাবে প্ৰয়োজন হোৱা মূলধন নিজেই যোগান ধৰিব পাৰে অথবা তেওঁলোকে ঋণ গ্ৰহণৰ দ্বাৰা মূলধন সংগ্ৰহ কৰিব পাৰে। উৎপাদন কাৰ্য চলাবলৈ উদ্যোগী সকলক আকৌ প্ৰাকৃতিক সম্পদৰ প্ৰয়োজন হয়। এই প্ৰাকৃতিক সম্পদবোৰৰ কিছুমান হ'ল অস্থায়ী, যিবোৰ উৎপাদন প্ৰক্ৰিয়াত ব্যৱহাৰ হয় (যেনে, কেঁচামাল) আৰু কিছুমান হ'ল স্থিৰ (যেনে, ভূমিৰ গোট সমূহ)। আকৌ উৎপাদন কাৰ্য চলাবলৈ এই উদ্যোগী সকলৰ প্ৰয়োজন হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানটো হ'ল মানুহৰ শ্ৰম। এই তিনিওবিধ উৎপাদনৰ উপাদান যেনে, ভূমি, মূলধন আৰু শ্ৰমৰ দ্বাৰা উৎপাদন কাৰ্য সম্পন্ন কৰাৰ পিছত উদ্যোক্তাই উৎপাদনবোৰ বজাৰত বিক্ৰী কৰে। এই বিক্ৰী কাৰ্যৰ দ্বাৰা যি পৰিমানৰ অৰ্থ আহৰণ কৰা হয়, তাকেই বিক্ৰী আয় বোলে। বিক্ৰী আয়ৰ এটা অংশ ভূমিয়ে উৎপাদনত সেৱা আগবঢ়োৱা বাবে খাজনা হিচাপে দিয়া হয়, আন এটা অংশ মূলধনৰ সুদ হিচাপে প্ৰদান কৰা হয় আৰু ইয়াৰ এটা অংশ শ্ৰমৰ মজুৰি হিচাপে দিয়া হয়। বিক্ৰী আয়ৰ বাকী থকা অংশটো হ'ল উদ্যোক্তাৰ উপাৰ্জন আৰু ইয়াক লাভ বা মুনাফা বোলা হয়। উদ্যোক্তা সকলে এই লাভ সমূহ প্ৰায়ে পিছৰ বছৰত নতুন যন্ত্ৰপাতি ক্ৰয় কৰিবলৈ অথবা নতুন কাৰখানা সৃষ্টি কৰাৰ বাবে ব্যৱহাৰ কৰে, যাতে উৎপাদনৰ পৰিমান ভৱিষ্যতে আৰু অধিক বৃদ্ধি কৰিব পৰা যায়। উৎপাদন ক্ষমতা বৃদ্ধিত অৰিহণা যোগোৱা এই ব্যয়বোৰেই হ'ল বিনিয়োগ ব্যয়ৰ উদাহৰণ।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে পুঁজিবাদী অৰ্থব্যৱস্থাৰ কিছুমান স্বকীয় বৈশিষ্ট্য বা ধৰ্ম আছে আৰু এইবোৰ হ'ল—

(ক) উৎপাদনৰ উপাদান সমূহ ব্যক্তিগত উদ্যোগ বা মালিকৰ নিয়ন্ত্ৰণত থাকে,

(খ) দ্ৰব্য-সামগ্ৰীসমূহ কেৱল বিক্ৰীৰ বাবেহে উৎপাদন কৰা হয়।

(গ) শ্ৰমৰ সেৱাসমূহক যি মূল্যত বজাৰত কিনা-বেচা কৰা হয়, তাকেই শ্ৰমৰ 'মজুৰি হাৰ' বোলে (যি শ্ৰম মজুৰিৰ বিনিময়ত কিনা বেচা কৰা হয়, তাক 'মজুৰি শ্ৰম' বুলি কোৱা হয়)।

ওপৰত উল্লেখিত পুঁজিবাদী অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ যদি বিশ্বৰ দেশ সমূহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, তেন্তে দেখা যায় যে পুঁজিবাদী অৰ্থব্যৱস্থা কেৱল বিগত তিনি/চাৰিশ বছৰৰ পূৰ্বৰ পৰাহে প্ৰচলন হৈছিল। স্পষ্টভাৱে ক'বলৈ হ'লে বৰ্তমান অৱস্থাত দক্ষিণ আমেৰিকা, ইউৰোপ আৰু এচিয়াৰ সীমিত কেইখনমান দেশেহে পুঁজিবাদী অৰ্থনীতিৰ দেশ হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে। এইখিনিতে উল্লেখযোগ্য যে বিশ্বৰ বেছিভাগ অনুন্নত দেশত উৎপাদনকাৰ্য (বিশেষকৈ কৃষি খণ্ডত) কৃষক পৰিয়ালৰ সদস্যৰ দ্বাৰা চলোৱা হয়। 'মজুৰি শ্ৰমিক' খুব কমেইহে ব্যৱহাৰ কৰা হয় আৰু বেছিভাগ শ্ৰম শ্ৰমিক পৰিয়ালৰ সদস্য সকলে নিজেই সম্পন্ন কৰে। দ্ৰব্য-সামগ্ৰীবোৰ অকল বজাৰত বিক্ৰী কৰাৰ বাবেহে উৎপাদন কৰা নহয়, ইয়াৰ এটা বুজন অংশ পৰিয়ালে ভোগ কৰে। বহুতো কৃষকৰ কৃষি-পাম সমূহে সুদীৰ্ঘ সময় অতিবাহিত হোৱাৰ পিছতো মূলধনৰ মজুত বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা নাই। তদুপৰি, বহুতো জনজাতি সমাজত ভূমিৰ ব্যক্তিগত মালিকীস্বত্ব ব্যৱস্থা নাই। এইবোৰ সমাজত ভূমি গোটেই জনজাতি সমাজৰ মালিকীস্বত্বত থকা দেখা যায়। এনে ধৰণৰ সমাজবোৰত ওপৰত উল্লেখ কৰা বৈশিষ্ট্যবোৰ প্ৰযোজ্য নহয়। যিয়েই নহওক, এইটো সত্য যে বহুতো উন্নয়নশীল দেশত বৃহৎ সংখ্যক উৎপাদন গোট আছে যিবোৰ

পুঁজিবাদী নীতি সমূহৰ দ্বাৰা সংগঠিত হোৱা পৰিলক্ষিত হয়। এই উৎপাদন গোট সমূহক প্ৰতিষ্ঠান বুলি কোৱা হয়। এনে প্ৰতিষ্ঠান এখনৰ উদ্যোক্তাজন হ'ল সকলো কামৰ গুৰি ধৰোঁতা। তেওঁ বজাৰৰ পৰা 'মজুৰি শ্ৰমিক' ভাৰা কৰি আনে আৰু ইয়াৰ লগতে মূলধন আৰু ভূমিক সংগ্ৰহ কৰি একেলগে নিয়োগ কৰে। এই উপাদান বা আহিলাসমূহ ভাৰা কৰাৰ পিছত উদ্যোক্তাই উৎপাদন কাৰ্য আৰম্ভ কৰে। উদ্যোক্তাই বস্তু আৰু সেৱা দ্ৰব্য উৎপাদন কৰাৰ মূখ্য উদ্দেশ্য হ'ল যে এইবোৰ বজাৰত বিক্ৰী কৰি অধিক মুনাফা অৰ্জন কৰা। উৎপাদন প্ৰক্ৰিয়াৰ লগত জড়িত সকলো ধৰণৰ দায়িত্ব আৰু অনিশ্চয়তা উদ্যোক্তাই বহন কৰে। উদাহৰণ স্বৰূপে, উৎপাদনকাৰীয়ে উৎপাদন কৰা বস্তুবোৰৰ বাবে যথেষ্ট উচ্চ দাম লাভ কৰাত ব্যৰ্থ হ'বও পাৰে আৰু তেনে অৱস্থাত তেওঁ অৰ্জন কৰা লাভৰ পৰিমান যথেষ্ট কম হ'ব পাৰে। এইখিনিতে উল্লেখ কৰিব লগীয়া যে পুঁজিবাদী দেশত উৎপাদনৰ উপাদানসমূহে উৎপাদন প্ৰক্ৰিয়াৰ জৰিয়তে আৰু উৎপাদিত দ্ৰব্যক বজাৰত বিক্ৰীৰ জৰিয়তে আয় উপাৰ্জন কৰে।

বিশ্বৰ উন্নত আৰু উন্নয়নশীল এই দুয়োধৰণৰ দেশতে বে-চৰকাৰী পুঁজিবাদী উৎপাদন খণ্ড থকাৰ উপৰিও চৰকাৰী বা ৰাষ্ট্ৰীয় অনুষ্ঠান আছে। ৰাষ্ট্ৰৰ বা চৰকাৰৰ ভূমিকাৰ ভিতৰত আইন-প্ৰনয়ন কৰা, আইন সমূহক কাৰ্যকৰী কৰা, ন্যায় প্ৰদান কৰা আদি কাৰ্যসমূহ অন্তৰ্ভুক্ত হয়। এইবোৰৰ উপৰিও চৰকাৰে কৰ ধাৰ্য কৰা, ৰাজহুৱা আন্তঃগাঁঠনিৰ সৃষ্টি কৰা, বিদ্যালয় তথা মহাবিদ্যালয় সমূহ চলোৱা, স্বাস্থ্য সেৱা প্ৰদানৰ বাবে ব্যয় কৰা আদিৰ লগতে বহুতো ক্ষেত্ৰত উৎপাদন কাৰ্যও পৰিচালনা কৰে। যেতিয়া দেশ এখনৰ অৰ্থনীতিৰ বিষয়ে বৰ্ণনা কৰিবলগীয়া হয়, তেতিয়া ৰাষ্ট্ৰৰ এই অৰ্থনৈতিক কাৰ্যসমূহ বিবেচনা কৰিবলগীয়াত পৰে। আলোচনাৰ সুবিধাৰ্থে 'ৰাষ্ট্ৰ'ক বুজাবলৈ 'চৰকাৰ' শব্দটো ব্যৱহাৰ কৰা হৈছে।

উল্লেখযোগ্য যে এখন অৰ্থনীতিত চৰকাৰ আৰু প্ৰতিষ্ঠানবোৰৰ উপৰিও আন এটা খণ্ড আছে আৰু সেয়া হ'ল পৰিয়াল খণ্ড (household sector) পৰিয়াল বুলিলে সাধাৰণতে এজন ব্যক্তিক বুজোৱা হয়, যিয়ে নিজৰ ভোগৰ লগত জড়িত সকলোবোৰ সিদ্ধান্ত গ্ৰহণ কৰে, অথবা ই এক ব্যক্তিৰ সমষ্টিক বুজায়, যিসকলে তেওঁলোকৰ ভোগৰ লগত জড়িত সিদ্ধান্তবোৰ যুটীয়াভাৱে গ্ৰহণ কৰে। এই পৰিয়ালবোৰে সঞ্চয় কৰে আৰু কৰ প্ৰদান কৰে। প্ৰশ্ন উদয় হয় যে পৰিয়ালবোৰে এই কাৰ্যবোৰ সম্পাদন কৰা বাবে অৰ্থ কি উৎসৰ পৰা আহৰণ কৰে? পৰিয়ালবোৰ মানুহৰ দ্বাৰা গঠিত আৰু এই মানুহবোৰে বিভিন্ন প্ৰতিষ্ঠানত শ্ৰমিক হিচাপে কাম কৰে আৰু মজুৰি অৰ্জন কৰে। এই মানুহবোৰেই চৰকাৰী বিভাগ সমূহতো কাম কৰে আৰু বেতন অৰ্জন কৰে। তদুপৰি এই ব্যক্তি সকলেই প্ৰতিষ্ঠানবোৰৰ স্বত্বাধিকাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে আৰু মুনাফা অৰ্জন কৰে। মন কৰিবলগীয়া যে যদি পৰিয়ালবোৰে বিভিন্ন দ্ৰব্য-সামগ্ৰীৰ চাহিদা সৃষ্টি নকৰিলেহেঁতেন, তেন্তে প্ৰতিষ্ঠানবোৰে সিহঁতৰ উৎপাদিত দ্ৰব্যবোৰ বিক্ৰী কৰা বজাৰখন কাৰ্যক্ষম কৰিব নোৱাৰিলেহেঁতেন।

বৰ্তমানলৈকে হোৱা ওপৰৰ আলোচনাত অকল ঘৰুৱা বা বন্ধ অৰ্থনীতিৰ প্ৰধান খেলুৱৈ সকলকহে অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু বিশ্বৰ প্ৰায় সকলোবোৰ দেশেই কম-বেছি পৰিমাণে বাহ্যিক বাণিজ্যৰ লগত জড়িত। এই বাহ্যিক অৰ্থনৈতিক খণ্ডটো হ'ল আমাৰ অধ্যয়নৰ চতুৰ্থ গুৰুত্বপূৰ্ণ খণ্ড। বাহ্যিক খণ্ডৰ লগত হোৱা বাণিজ্য দুই প্ৰকাৰৰ হ'ব পাৰে ঃ-

1. এখন দেশে বিশ্বৰ বিভিন্ন দেশত দ্ৰব্য সামগ্ৰী বিক্ৰী কৰিব পাৰে, এইবোৰক ৰপ্তানি বোলে।
2. এখন দেশে বিশ্বৰ আন আন দেশৰ পৰা সামগ্ৰী ক্ৰয় কৰিব পাৰে, এইবোৰক আমদানি বোলা হয়।



তদুপৰি বৈদেশিক ৰাষ্ট্ৰসমূহৰ পৰা ঘৰুৱা দেশলৈ মূলধন প্ৰবাহিত হ'ব পাৰে, অথবা ঘৰুৱা দেশে বৈদেশিক ৰাষ্ট্ৰসমূহলৈ মূলধন ৰপ্তানি কৰিব পাৰে।

## সাৰাংশ (Summary)

সমষ্টিবাদী অৰ্থনীতিয়ে এখন অৰ্থনীতিৰ সামগ্ৰিক চলক সমূহৰ লগত জড়িত থাকে, ইয়ে এখন অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ মাজত থকা নানা ধৰণৰ আভ্যন্তৰীণ সংযোগ (interlinkages) ৰ বিষয়ে চৰ্চ্চা কৰে। সমষ্টিবাদী অৰ্থনীতিৰ এই বিশেষ বৈশিষ্টটোৰ ফলত ইয়াক ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ পৰা পৃথক বিভাগ হিচাপে বিবেচনা কৰা হয়। কাৰণ ব্যষ্টিবাদী অৰ্থবিজ্ঞানে এখন অৰ্থনীতিৰ আন সকলো বিষয় স্থিতাৱস্থাত থকা বুলি ধৰি লৈ ইয়াক কিছুমান নিৰ্দিষ্ট খণ্ডৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে বিশেষভাৱে পৰীক্ষা কৰে। অধ্যাপক কেইন্‌ছৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত 1930 চনত অৰ্থবিজ্ঞানৰ এটা বেলেগ বিভাগ হিচাপে সমষ্টিবাদী অৰ্থবিজ্ঞানৰ উদ্ভাৱন হয়। বিশ্বৰ মহামন্দাই (1930) উন্নত দেশ সমূহৰ অৰ্থনীতিত এক তীব্ৰ আঘাত প্ৰদান কৰিছিল আৰু ইয়ে কেইন্‌ছক তেওঁৰ লেখনি সমূহৰ বাবে প্ৰেৰণা যোগাইছিল। এই আলোচনাত মূলতঃ পুঁজিবাদী অৰ্থনীতিৰ কাৰ্যক্ৰমণিকাক ভিত্তি হিচাপে লোৱা হৈছে আৰু ইয়াৰ আধাৰত বিশ্লেষণবোৰ আগবঢ়োৱা হৈছে। সেয়েহে এই আলোচনা ই উন্নয়নশীল দেশসমূহৰ কাৰ্যক্ৰমণিকাক (Functioning) সম্পূৰ্ণৰূপে ধৰি ৰাখিবলৈ সক্ষম নহ'বও পাৰে। সমষ্টিবাদী অৰ্থবিজ্ঞানে এখন অৰ্থনীতিক চাৰিটা খণ্ডৰ সংযোগ হিচাপে বিবেচনা কৰে আৰু এই খণ্ডবোৰ হ'ল, পৰিয়ালখণ্ড, (Household sector), ব্যৱসায়িক প্ৰতিষ্ঠান, (Firms), চৰকাৰ আৰু বাহ্যিক খণ্ড।

www.dailyassam

## মূল ধাৰণাসমূহ (Key Concepts) ঃ

(1) সুদৰ হাৰ (Rate of interest)

(2) লাভ (Profits)

(3) মহামন্দা (Great Depression)

(4) উৎপাদনৰ চাৰিটা উপাদান (Four factors of production)

(5) আহিলা (Inputs)

(6) শ্ৰম (Labour)

(7) উদ্যমীতা (Entrepreneurship)

(8) মজুৰি শ্ৰম (Wage labour)

(9) ব্যৱসায়ী বা উদ্যোগ প্ৰতিষ্ঠান (Firms)

(10) উৎপাদন (Output)

(11) চৰকাৰ (Government)

(12) ৰপ্তানি (Exports)

(13) মজুৰিহাৰ (Wage rate)

(14) অৰ্থনৈতিক প্ৰতিনিধি বা গোট (Economic agents or units)

(15) নিৰনুৱা হাৰ (Unemployment rate)

(16) উৎপাদনৰ আহিলা (Means of production)

(17) ভূমি (Land)

(18) মূলধন (Capital)

(19) বিনিয়োগ ব্যয় (Investment expenditure)

(20) পুঁজিবাদী দেশ বা পুঁজিবাদী অৰ্থনীতি (Capitalist country or capitalist Economy)

(21) পুঁজিবাদী প্ৰতিষ্ঠান (Capitalist firms)

(22) পৰিয়ালবোৰ (House holds)

(23) বাহ্যিক খণ্ড (External sector)

(24) আমদানি (Imports)

(1) ব্যষ্টিবাদী অৰ্থবিজ্ঞান আৰু সমষ্টিবাদী অৰ্থবিজ্ঞানৰ পাৰ্থক্য কি?

(2) পুঁজিবাদী অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি?

(3) সমষ্টিবাদী অৰ্থনীতিৰ দৃষ্টিৰে এখন অৰ্থনীতিৰ প্ৰধান চাৰিটা খণ্ডৰ বৰ্ণনা কৰা।

(4) 1929 ৰ মহামন্দাৰ বিষয়ে বৰ্ণনা কৰা।

**ওপৰঞ্চি অধ্যয়নৰ পৰামৰ্শ (Suggested Readings) ঃ**


(1) Bhaduri, A.- 1990. Macro Economics : The Dynamics of Commodity Production, Pages 1-27, Macmillan India Ltd. New Delhi

(2) Mankiw, N.G., 2000, Macro Economics, Pages 2-14 Macmillan Worth Publishers, New York.


